# পশুৰ চবকা ৰোগ
# (Foot and Mouth Disease of Animals)

**চবকা ৰোগ কি ?**

চবকা বা খুৰা ফটা এবিধ ভয়াবহ সংক্ৰামক ৰোগ।

**এই ৰোগ কিয় গুৰুত্বপূৰ্ণ ?**

পশুত হোৱা বিভিন্ন ৰোগৰ ভিতৰত এই ৰোগ অতি গুৰুত্বপূৰ্ণ, কাৰণ এই ৰোগ হ'লে আক্ৰান্ত খিৰতী গাইৰ গাখীৰ উৎপাদন একেবাৰে কমি যায়, আক্ৰান্ত পোৱালি জন্তুৰ মৃত্যু হয়, হালোৱা গৰুৰ কাৰ্যক্ষমতা কমি যায় আৰু গৰ্ভৱতী গৰুৰ গৰ্ভপাত হয় ইত্যাদি। ভাৰতবৰ্ষত এই ৰোগৰ ফলত বছৰি প্ৰায় ৩৫০০-৫০০০ কোটি টকা লোকচান হয়। ইয়াৰ উপৰিও এই ৰোগ হৈ থকা বাবে আমাৰ দেশৰ পশু আৰু পশুৰ পৰা উৎপাদিত দ্ৰব্য যেনে - পশুৰ চাল, নোম, গাখীৰ আৰু গাখীৰৰ পৰা তৈয়াৰী বস্তু উন্নত দেশসমূহলৈ ৰপ্তানি কৰিব নোৱাৰি।

**ৰোগৰ কাৰণ কি ?**

চবকা ৰোগ ভাইৰাছৰ দ্বাৰা হয়। এই ৰোগ সৃষ্টি কৰা ভাইৰাছৰ নাম এপথ'ভাইৰাছ (aphthovirus) আৰু ইয়াৰ ৭ টা প্ৰকাৰ আৰু প্ৰতিটো প্ৰকাৰৰ বহু উপপ্ৰকাৰ আছে। ভাইৰাছ বিধৰ চাৰিটা প্ৰকাৰ যেনে - 'ও' (O), এ (A), চি (A) আৰু এছিয়া এক (Asia 1) ভাৰতবৰ্ষত হোৱা চবকা ৰোগত পোৱা যায়। এই প্ৰকাৰ কেইটাৰ ভিতৰত - 'ও' প্ৰকাৰটো আমাৰ দেশৰ বেছি সংখ্যক (প্ৰায় ৮০ শতাংশ) চবকা ৰোগত আক্ৰান্ত জন্তুত পোৱা গৈছে।

**কি জন্তু প্ৰধানকৈ এই ৰোগত আক্ৰান্ত হয় ?**

সকলো ধৰণৰ খুৰা ফটা জন্তু এই ৰোগত আক্ৰান্ত হ'ব পাৰে। ঘৰচীয়া জন্তুৰ ভিতৰত - গৰু প্ৰধানকৈ আক্ৰান্ত হয়। বনৰীয়া জন্তু যেনে - হাতী, হৰিণ, মিথুন, নীলগাই আদিৰ এই ৰোগ হয়।

**ৰোগ সৃষ্টি কৰা ভাইৰাচৰ উৎস কি ?**

এই ৰোগ সৃষ্টি কৰা ভাইৰাছৰ প্ৰধান উৎস হ'ল আক্ৰান্ত জন্তু। আক্ৰান্ত জন্তুৰ লালতি, গাখীৰ, মূত্ৰ আদিৰ লগত ভাইৰাছ নিঃসৰণ হয়। লালতিৰ লগত ওলোৱা ভাইৰাছ ধূলিৰ লগত মিহলি হৈ বতাহত উৰি ফুৰে আৰু বতাহৰ সোঁতত বহু দূৰলৈ যাব পাৰে। পশুৰ খাদ্য যেনে - খেৰ, ঘাঁহ আদি আক্ৰান্ত জন্তুৰ পৰা নিঃসৰিত ভাইৰাছৰ দ্বাৰা প্ৰদূষিত হ'ব পাৰে। প্ৰদূষিত খাদ্যত এই ভাইৰাছ কেইদিনমান জীয়াই থাকিব পাৰে। এই ভাইৰাচৰ দ্বাৰা আক্ৰান্ত গাহৰি এটাই বহু পৰিমাণৰ ভাইৰাচ নাকৰ পানীৰ লগত নিঃসৰণ কৰে আৰু এনে জন্তুৰ পৰাও ভাইৰাছবোৰ গৰুলৈ আহিব পাৰে।

**ভাইৰাছবিধে দেহত কেনেকৈ প্ৰৱেশ কৰে ?**

চবকা ৰোগ সৃষ্টি কৰা ভাইৰাছ প্ৰধানকৈ নাকেৰে জন্তুৰ দেহৰ ভিতৰলৈ যায়। ইয়াৰ উপৰিও মুখ, চকু আৰু যৌন দ্বাৰেৰে ভাইৰাছ দেহৰ ভিতৰলৈ যাব পাৰে।

**দেহত ভাইৰাছ প্ৰৱেশ কৰাৰ কেইদিনৰ ভিতৰত ৰোগৰ লক্ষণ দেখা দিয়ে ?**

এই সময় দেহত প্ৰৱেশ কৰা ভাইৰাচৰ পৰিমাণৰ ওপৰত নিৰ্ভৰ কৰে। সাধাৰণতে ভাইৰাছবিধ দেহত প্ৰৱেশ কৰাৰ ২ ৰ পৰা ৮ দিনৰ ভিতৰত ৰোগৰ লক্ষণ আৰম্ভ হয়।

**ৰোগৰ লক্ষণ?**

চবকা ৰোগৰ আৰম্ভণিতে আক্ৰান্ত জন্তুৰ জ্বৰ উঠে, লাহে লাহে লালতি বেছিকৈ ওলাব ধৰে, ভালকৈ খোজকাঢ়িব নোৱাৰা হয় আৰু পোৱালি জন্তুৰ হঠাৎ মৃত্যু হয়। মুখৰ ভিতৰত জিভা আৰু দাঁতৰ আলুৰ ওপৰত, ভৰিৰ খুৰাৰ মাজত আৰু ওহাৰৰ বাটত পানী জোলা বান্ধে আৰু পিছত পানী জোলাবোৰ ফাটি ঘাঁ হয়। ইয়াৰ উপৰিও গাভিনী গাই গৰুৰ গৰ্ভপাত আৰু বৰ্ণসংকৰ আৰু উন্নত জাতৰ গৰুৰ মৃত্যুও হ'ব পাৰে।

**ৰোগ হ'লে কি কৰা উচিত?**

চবকা ৰোগ আক্ৰান্ত হোৱাৰ লগে লগে ওচৰৰ পশু চিকিৎসক আৰু তলৰ ঠিকনাত খবৰ দিব লাগে। আক্ৰান্ত জন্তুৰ প্ৰাথমিক চিকিৎসা যেনে - মুখ, ভৰি আদি পটাছিয়াম পাৰমাঙ্গানেট (১ গ্ৰাম ৩ লিটাৰ পানী) মিহলি পানীৰে দুই-তিনিবাৰ ধোৱা, মুখৰ ঘাত বৰিক পাউদাৰ আৰু গ্লিছাৰিণৰ মিশ্ৰণ লগোৱা আদিৰ উপৰিও বজাৰত পোৱা ষ্টেন'ট (stenot) নামৰ বৰি ব্যৱহাৰ কৰিব পাৰিলে ভাল। ষ্টেন'ট বৰি প্ৰতিদিনে এটাকৈ পাঁচদিন খুৱাব লাগে। এন্টিছেপ্টিক স্প্ৰে যেনে - ট'পিকিউৰ (topicure) আক্ৰান্ত জন্তুৰ ভৰিত ব্যৱহাৰ কৰাটো প্ৰয়োজন।

**চবকা ৰোগ কেনেকৈ প্ৰতিৰোধ কৰিব পাৰি?**

আমাৰ দেশত চবকা ৰোগ প্ৰতিৰোধ কৰাৰ প্ৰধান উপায় হ'ল এই ৰোগৰ প্ৰতিষেধক ছিটা সময়মতে প্ৰয়োগ কৰা। ভাৰতবৰ্ষত বৰ্তমান তিনিটা প্ৰতিষ্ঠান যেনে - ইণ্ডিয়ান ইমুন'লজিকেলছ হায়দৰাবাদ, হেষ্ট ইণ্ডিয়া প্ৰাইভেট লিমিটেড (নতুন নাম ইন্টাৰভেট ইণ্ডিয়া প্ৰাইভেট লিমিটেড) পুণা আৰু আই.ভি.আৰ.আই বা ভাৰতীয় পশু চিকিৎসা গৱেষণা প্ৰতিষ্ঠান, বাঙ্গালোৰত এই ৰোগৰ ছিটা প্ৰস্তুত কৰা হয়। ইয়াৰ প্ৰথম দুটা প্ৰতিষ্ঠানে বস্তুত কৰা ছিটা সাধাৰণতে বজাৰত পোৱা যায়। বিভিন্ন নামত (যেনে - ৰক্সা ওভেক, ৰক্সা বাই'ভেক, ৰক্সা ট্ৰাই'ভেক আৰু ক্ল'ভেক্স) ইত্যাদি চবকা ৰোগৰ ছিটা বজাৰত পোৱা যায়। ইয়াৰ ভিতৰত ৰক্সা ওভেক অথবা ক'ভেক্স ছিটা ব্যৱহাৰ কৰাটো ভাল। এই ছিটা ডাঙৰ জন্তুক বছৰত দুবাৰকৈ অৰ্থাৎ ৬ মাহৰ অন্তৰত প্ৰয়োগ কৰিব লাগে। পোৱালি গৰুক এই ছিটা জন্মৰ এমাহ বয়সত, দ্বিতীয় ছিটা প্ৰথম ছিটা দিয়াৰ ৪-৬ সপ্তাহৰ পিছত আৰু ইয়াৰ পিছত প্ৰতি ৬ মাহৰ অন্তৰত দিব লাগে। চবকা ৰোগৰ ছিটা গাভিনী গৰুকো দিব পাৰি। আমাৰ দেশত চবকা ৰোগৰ ছিটা দিয়াৰ উপযুক্ত সময় হ'ল এপ্ৰিল অৰ্থাৎ বহাগ মাহআৰু অক্টোবৰ অৰ্থাৎ আহিন মাহ। চবকা ৰোগৰ ছিটা সদায় ঠাণ্ডাত (যেনে - ৰেফ্ৰিজাৰেটৰ) ৰাখিব লাগে। প্ৰস্তুত কৰা ঠাইৰ পৰা বজাৰত সংগ্ৰহ কৰি ৰখালৈকে আৰু বজাৰৰ পৰা ছিটা দিয়া ঠাইলৈ এই ছিটা আনোতে ঠাণ্ডা কৰি ৰখা প্ৰক্ৰিয়াটো সদায় অটুট ৰাখিব লাগে। এই প্ৰক্ৰিয়াৰ বিজুলি হ'লেও বহু সময়ত ছিটাৰ গুণাগুণ কমি যায়।

**চবকা ৰোগ হ'লে খবৰ দিয়াটো কি প্ৰয়োজন?**

কোনো এখন ঠাইত চবকা ৰোগ আৰম্ভ হোৱাৰ লগে লগে খবৰ দিয়াতো অতি প্ৰয়োজন, কাৰণ খবৰ দিয়াৰ ফলত অঞ্চলটোত হোৱা চবকা ৰোগ সৃষ্টি কৰা ভাইৰাচৰ প্ৰকাৰ জনাৰ উপৰিও, ৰোগ বিয়পি যোৱাটো কেনেকৈ বাধা দিব পাৰি, আক্ৰান্ত হোৱা জন্তুৰ প্ৰাথমিক চিকিৎসা আৰু এই ৰোগৰ নতুন তথ্য ইত্যাদি সম্পৰ্কে জানিব পাৰি।

**চবকা ৰোগ পশুধনৰ প্ৰধান শত্ৰু**

**এই ৰোগ প্ৰতিৰোধ কৰিব পাৰি আৰু এই ৰোগ নিয়ন্ত্ৰণ কৰাত সকলোৰে সহযোগিতাৰ প্ৰয়োজন।**

**চবকা ৰোগ দেখা দিয়া মাত্ৰকে ওচৰৰ পশু-চিকিৎসকক খবৰ দিয়ক আৰু তলৰ ঠিকনাত যোগাযোগ কৰক।**

ভাৰপ্ৰাপ্ত বিষয়া

**সৰ্বভাৰতীয় সমন্বয়ী চবকা ৰোগ গৱেষণা আঞ্চলিক কেন্দ্ৰ**

পশু চিকিৎসা বিজ্ঞান মহাবিদ্যালয়

অসম কৃষি বিশ্ববিদ্যালয়

খানাপাৰা, গুৱাহাটী - ৭৮১০২২

ফোন নং ঃ ০৩৬১-২৩৩২৭৬৮ (অ), ২৩৩৪৯০১ (ঘ)

ফেক্স ঃ ০৩৬১-২৩৩৭৭০০


**কেইটামান মনত ৰাখিবলগীয়া কথা**

(ক) চবকা ৰোগ ভাইৰাছৰ দ্বাৰা হোৱা এবিধ সংক্ৰামক ৰোগ। এই ৰোগ দেখা দিয়া মাত্ৰকে খবৰ দিয়াটো প্ৰয়োজন।

(খ) উন্নত জাতৰ আৰু বৰ্ণসংকৰ জাতৰ গৰুৰ চবকা ৰোগ মাৰাত্মক হ'ব পাৰে।

(গ) চবকা ৰোগৰ পৰা পশুধনক ৰক্ষা কৰিলে আৰ্থিক দিশত লাভৱান হ'ব পাৰি।

(ঘ) চবকা ৰোগৰ পৰা ৰক্ষা কৰাৰ প্ৰধান উপায় হ'ল এই ৰোগৰ ছিটা সময়মতে প্ৰয়োগ কৰা।

(ঙ) চবকা ৰোগ হৈ থকা অঞ্চলক গৰু, মহ, গাহৰি আদি কমেও দুমাহ পৰ্য্যন্ত কিনা-বেচা বন্ধ ৰখাটো দৰকাৰ।

(চ) চবকা ৰোগত আক্ৰান্ত জন্তুৰ প্ৰাথমিক চিকিৎসা আৰু আল-পৈচান ঠিকমতে হোৱাটো প্ৰয়োজন।

(ছ) চবকা ৰোগত আক্ৰান্ত জন্তুক পথাৰত মুকলিকৈ এৰি দিব নালাগে।

(জ) এটা অঞ্চলৰ সকলো গৰুক একে সময়তে এই ৰোগৰ ছিটা দিয়াটো প্ৰয়োজন।

(ঞ) চবকা ৰোগৰ ছিটা সদায় ঠাণ্ডাত ৰাখিব লাগে।

(ট) ছিটা প্ৰয়োগ কৰাৰ ক'মেও এক সপ্তাহ আগতে গৰুবোৰক পেলুৰ ঔষধ খুৱাব পৰিলে ভাল।

*****

**(উৎস ঃ সৰ্বভাৰতী সমন্বয়ী চবকা ৰোগ গৱেষণা আঞ্চলিক কেন্দ্ৰ, অসম কৃষি বিশ্ববিদ্যালয়, খানাপাৰা, গুৱাহাটী)**